অনাৰ্য উপাদানেৰে জাতিষ্কাৰ হৈ পৰিছে। ভাষাৰ লগত ভাষাৰ সংঘৰ্ষ আৰু সংস্পৰ্শৰ ফলত ধ্বনি, ৰূপ, বাক্যৰীতি আৰু শব্দভাণ্ডাৰ— এই আটাইকেইটা দিশতে পৰিবৰ্তন দৃষ্টিগোচৰ হয়। অসমৰ প্ৰায়বোৰ জনগোষ্ঠীয়েই দ্বিভাষিক। ঘৰত বা আত্মীয়-স্বজনৰ লগত তেওঁলোকে নিজৰ ভাষাৰেই কথা পাতে আৰু বাহিৰত অসমীয়া ভাষা ব্যৱহাৰ কৰে। অসমৰ জনগোষ্ঠীসমূহৰ বিভিন্ন ভাষিক উপাদানৰ দ্বাৰা সমৃদ্ধ হৈ অসমীয়া ভাষাটো আৰ্য-অনাৰ্যৰ সাংস্কৃতিক জীৱনৰ এৰাব নোৱৰা অংগ হৈ পৰিছে। 'অসমীয়া ভাষাত নোহোৱা-নোপজা নানান গুণেৰে বিভূষিতা হৈ চিৰ চেনেহী মোৰ ভাষা জননীয়ে স্বকীয়তা প্ৰকাশ কৰিছে।' অসমীয়া ভাষাৰ এনে অনন্য ৰূপৰ বাবেই ভাষাটোৰ উদ্ভৱ সম্পৰ্কে বিভিন্ন মত পোৱা যায়।

**অসমীয়া ভাষা উদ্ভৱ সন্দৰ্ভত বিভিন্ন মত ঃ**

অসমীয়া ভাষাৰ উৎপত্তি সন্দৰ্ভত ছটা মত প্ৰধানকৈ পোৱা যায়। প্ৰথম মতটোৰ সমৰ্থকৰ সংখ্যাই বেছি আৰু এই মতৰ জৰিয়তে অসমীয়াৰ জন্ম বৃত্তান্ত ব্যাখ্যা কৰাটো সহজ হৈ পৰে। শব্দৰ ব্যুৎপত্তিও এই মতৰ জৰিয়তে দাঙি ধৰিব পাৰি। মতটো হ'ল— অসমীয়া ভাষা মাগধী প্ৰাকৃতৰ পৰা ওলাইছে। গ্ৰিয়াৰ্ছন, ড° সুনীতি কুমাৰ চেটাৰ্জী, ড° বাণীকান্ত কাকতি আদি এই মতৰ প্ৰধান প্ৰবক্তা। গ্ৰিয়াৰ্ছনৰ মতে, 'মগধৰ পৰা মাগধী প্ৰাকৃতে তিনি দিশলৈ গতি কৰিছে। দক্ষিণৰ পিনে ই উড়িয়া ভাষাত পৰিণত হৈছে। দক্ষিণ-পূবৰ পিনে ই প্ৰথমতে পশ্চিম আৰু পাছত পূৰ্ব বাংলা আৰু পূবৰ পিনে প্ৰথমতে উত্তৰ বাংলা আৰু পাছত অসমীয়াৰ ৰূপ লৈছে।' গ্ৰিয়াৰ্ছনৰ এই মতৰ ওপৰত ভিত্তি কৰি সুনীতি কুমাৰ চেটাৰ্জীয়ে প্ৰাচ্য মাগধী অপভ্ৰংশক চাৰিটা ভাগ কৰিছে এনেদৰে—

ৰাঢ় ঃ মান্য বাংলা আৰু উড়িয়া,

বাৰেন্দ্ৰ ঃ উত্তৰ কেন্দ্ৰীয় বাংলা

কামৰূপী ঃ উত্তৰ বাংলা আৰু অসমীয়া,

বঙ্গ ঃ পূব বাংলা।

ড° বাণীকান্ত কাকতিৰ মন্তব্যও অনুৰূপ— 'বাংলা আৰু অসমীয়া দুয়োটা ভাষাই এক মান্য মাগধী অপভ্ৰংশৰ উপভাষা।' (A.F.D. p-11)

অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কীয় আন মত হ'ল— কামৰূপী প্ৰাকৃতৰ পৰাহে অসমীয়া ভাষাৰ জন্ম হৈছে। প্ৰথম মতটোক শক্তিশালী প্ৰত্যাহ্বান জনোৱা এই মতৰ প্ৰধান প্ৰবক্তা হ'ল বেণীমাধব বৰুৱা আৰু ডিম্বেশ্বৰ নেওগ। কামৰূপী প্ৰাকৃতৰ ওপৰত গুৰুত্ব দি ডিম্বেশ্বৰ নেওগে লিখিছে— 'খ্ৰীষ্টিয় পঞ্চম বা ষষ্ঠ শতিকাৰ পৰা দ্বাদশ শতিকালৈ ৰাজত্ব কৰা তামৰ ফলিবোৰৰ অধ্যয়ন কৰিবলৈ লোৱাৰ মুহূৰ্ততে অসমীয়া আৰু তেনেকৈ বাংলা আৰু সম্ভৱতঃ উড়িয়া ভাষাৰ মূল মাগধী প্ৰাকৃতৰ ভ্ৰান্ত ধাৰণা নাইকিয়া হৈ যায়।'

পঞ্চম শতিকাৰ উমাচল শিলালিপিয়েই অসমত এতিয়ালৈ উদ্ধাৰ হোৱা আটাইতকৈ প্ৰাচীন



Scanned with CamScanner

লিপি। পঞ্চম শতিকাৰ পৰা দ্বাদশ শতিকালৈ সংস্কৃত ভাষাত ৰচিত শিলালিপি আৰু তাম্রলিপিসমূহত স্থানীয় প্ৰাকৃত ভাষাৰ প্ৰভাৱ পৰিছে। সংস্কৃত বহিৰ্ভূত বানান পদ্ধতি আৰু দেশজ শব্দ কেতবোৰৰ উল্লেখে কিছুমান নতুন দিশৰ কথাও ভাবিবলৈ অৱকাশ দিয়ে। এই ফলিবোৰৰ অধ্যয়নৰ জৰিয়তে অসমীয়া ভাষাৰ স্বকীয় উচ্চাৰণ সম্পৰ্কীয় চানেকীৰ আভাস পাব পাৰি। ফলিত উল্লেখ থকা কিছুমান ঠাইৰ নাম, ব্যক্তিৰ নাম আৰু আন আন কেতবোৰ শব্দৰ প্ৰয়োগৰ মাজেদি ভাষাটোৰ গঠনকালৰ ধাৰণা এটা গঢ়াতো সহায় কৰে। সপ্তম শতিকাত ভাস্কৰ বৰ্মণৰ ৰাজত্বকালত অসমলৈ অহা হিউৱেন ছাঙৰ টোকাই এনে চিন্তাত সাৰপানী যোগায়। হিউৱেন চাঙৰ ইয়াৰ ভাষা সম্পৰ্কীয় উক্তিটো আছিল এনেধৰণৰ— 'তেওঁলোকৰ (কামৰূপৰ) ভাষা মধ্য ভাৰতৰ ভাষাতকৈ অলপ বেলেগ।' কামৰূপী প্ৰাকৃতৰ প্ৰবক্তাসকলে শিলালিপি আৰু তামৰ ফলিৰ বৈশিষ্ট্যসমূহকে কামৰূপী প্ৰাকৃত বুলি প্ৰমাণ কৰাৰ চেষ্টা কৰিছে। কিন্তু গুৰুত্বপূৰ্ণ কথা হ'ল 'সেইবোৰৰ বেছিভাগেই শৌৰসেনী প্ৰাকৃতৰ লগত মিলে'। সেয়ে 'কামৰূপী প্ৰাকৃত আৰু অপভ্ৰংশৰ বৈশিষ্ট্য তথ্যৰ ভিত্তিত প্ৰমাণ কৰিব নোৱৰালৈকে এই প্ৰাকৃতৰ অস্তিত্ব নিৰ্ণয় কৰিব পৰা নাযায়।' (অসমীয়া ভাষাৰ জন্ম আৰু বিকাশ সম্পৰ্কীয় বিতৰ্কিত মত (প্ৰবন্ধ) ঃ ড° ৰমেশ পাঠক, পৃ.-২১৫, 'ভাষাৰ তত্ত্বকথা' ঃ সম্পা. নাহেন্দ্ৰ পাদুন)

'মাগধী প্ৰাকৃতৰ পৰাই অসমীয়া ভাষাৰ ওলাইছে বুলি যি এটা ধাৰণা আছে সেইটো ভুল' বুলি কোৱা আন এজন উল্লেখযোগ্য ব্যক্তি হ'ল দেৱানন্দ ভৰালী। তেখেতে কৈছিল— '...অসমীয়া ভাষা সংস্কৃতৰ এটা ৰূপান্তৰিত অপভ্ৰংশ নহয়। অসমীয়া ভাষাত বহুত শব্দ আৰু বৈয়াকৰণিক গঢ় আছে যিবিলাকৰ মূল সংস্কৃতত পাবলৈ নাই। ......১২/১৩/১৪ শতিকাত বংগদেশত ৰচা পুথিৰ ভাষা, আৰু শংকৰী যুগৰ আৰু এতিয়াৰ অসমীয়া ভাষা পৰীক্ষা কৰি চালে আমি মাগধী প্ৰাকৃতৰ উপৰিও দুটা প্ৰাকৃত ভাষাৰ স্তৰ আগেয়ে থকাৰ প্ৰমাণ পাওঁহক। এটাক বুলিব পাৰি 'সৌমাৰ প্ৰাকৃত'; ই আগেয়ে আসাম আৰু বংগদেশত চলিছিল; এতিয়া তাৰ বিশেষত্বখিনি উজনি আসামত পোৱা যায়। আনটো হৈছে 'কামৰূপীয়া প্ৰাকৃত'। এইটো কোনো কোনো বৈয়াকৰণিকে উল্লেখ কৰা 'প্ৰাচ্য' ভাষা নহয়। 'প্ৰাচ্য' প্ৰাকৃত শৌৰসেনীৰ সৈতে প্ৰায় একে। ইও গোটেই কামৰূপত আৰু পচিমে মাগধী সীমা বাহিৰলৈকে অৰ্থাৎ গোটেই বংগদেশতে বিয়পি পৰিছিল।'

অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে দাঙি ধৰা আন এটা মত হ'ল— 'অসমীয়া ভাষা প্ৰাচ্য আৰু পশ্চিমা অপভ্ৰংশৰ সংমিশ্ৰণ।' কালিৰাম মেধিয়ে এই মতটো দাঙি ধৰিছিল। অসমীয়া ভাষাত বিভিন্ন প্ৰাকৃতৰ দুই-এটা বৈশিষ্ট্যও দেখিবলৈ পোৱা যায়। এনে হোৱাটো স্বাভাৱিকো। কালিৰাম মেধিয়ে অসমীয়া ভাষাত শৌৰসেনী প্ৰাকৃতৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰিয়েই উপৰিউক্ত মতটো দাঙি ধৰিছিল।

অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে কনকলাল বৰুৱাই দাঙি ধৰা মতটো হ'ল— 'অসমীয়া ভাষাৰ জন্ম পৈশাচী প্ৰাকৃতৰ পৰা হৈছে।' (...Assamese is not a language that dropped from above into the Asam valley. It is speech which must have

originated from a common language which was Paisachi origin. 'Studies in the Early History of Kamrupa', p-125) পৈশাচী প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা ভাষাবোৰৰ কেতবোৰ শব্দৰ লগত অসমীয়া ভাষাৰ কেতবোৰ শব্দৰ ৰূপগত আৰু অৰ্থগত মিল আছে। গ্ৰিয়াৰ্ছনেও অসমীয়া আৰু কাশ্মীৰী ভাষাৰ মাজত সাদৃশ্য লক্ষ্য কৰি এই মিল বৰ কৌতুহ'লোদ্দীপক বুলি মন্তব্য কৰিছিল।

অসমীয়া ভাষা অনাৰ্য ভাষাৰ উপাদানেৰে উভৈনদী হৈ থকা দিশলৈ লক্ষ্য ৰাখি ড° নাথান ব্ৰাউনে কৈছিল— 'Wheather it (Assamese) was itself a dialect of sanskrit or wheather it was formed engrafting the sanskrit upon some original native stock now extinct, is uncertain, the later, however is the more probable opinion.' ব্ৰাউনৰ এই ধাৰণাৰ বিপৰীতটোহে দৰাচলতে সত্য। অসমীয়া ভাষাত অজস্ৰ থলুৱা উপাদান আছে, এই থলুৱা উপাদানসমূহে অসমীয়া ভাষাক আন আৰ্য ভাষাৰ পৰা পৃথক কৰি তুলিছে। কিন্তু অসমীয়া ভাষাৰ গাঁথনিক ৰূপ সংস্কৃত অনুসৃত। ভাষাৰ গাঁথনিক ৰূপহে মূল নিৰ্ণয়ত বিবেচ্য হয়।

**চৰ্যাপদৰ লগত সম্বন্ধ আৰু পৰৱৰ্তী স্তৰ ঃ**

অষ্টম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত বৌদ্ধ সিদ্ধাচাৰ্যসকলে ৰচনা কৰা চৰ্যাপদসমূহৰ মাজত অসমীয়া ভাষাৰ সুন্দৰ নিদৰ্শন পোৱা যায়। ইয়াৰ আগৰ অসমত উদ্ধাৰ হোৱা শিলালেখ আৰু তামৰ ফলিবোৰৰ ভাষা আছিল সংস্কৃত। সেয়ে অসমীয়া ভাষাৰ প্ৰাচীন ৰূপ বুলি ক'লে চৰ্যাপদসমূহৰ ওচৰ চাপিবলগীয়া হয়। অৱশ্যে বাংলা, উড়ীয়া আদি অন্যান্য মাগধীয় ভাষাগুচ্ছয়েও চৰ্যাপদক নিজৰ নিজৰ ভাষাৰ আদি ৰূপ বুলি দাবী কৰে। ড° বাণীকান্ত কাকতিয়ে সেয়ে চৰ্যাপদক অসমীয়া, বাংলা আৰু উড়ীয়া ভাষাৰ উদ্ভৱৰ প্ৰাক্‌মুহূৰ্তৰ ৰূপ বুলি সমাধান সূত্ৰ আগবঢ়াইছে। অসমীয়া ভাষাৰ লগত চৰ্যাৰ ভাষাৰ সম্বন্ধ ওচৰ। অসমীয়া ভাষাৰ শব্দ-বিভক্তি, ক্ৰিয়া-বিভক্তি, নাস্ত্যৰ্থক ৰূপাংশ ক্ৰিয়াৰ আগত প্ৰয়োগ, কেতবোৰ স্ত্ৰীবাচক প্ৰত্যয়, সংখ্যাবাচক শব্দৰ সৈতে চৰ্যাপদৰ ব্যৱহৃত ৰূপ একে। কামৰূপী উপভাষাৰ লগতো চৰ্যাপদৰ নিকট সম্বন্ধ। আনকি ব্ৰজাৱলী ভাষাৰ ব্যাকৰণগত বৈশিষ্ট্য আৰু শব্দ ব্যৱহাৰৰ লগতো চৰ্যাপদৰ অধিক সম্পৰ্ক পৰিলক্ষিত হয়। তামৰ বা শিলৰ ফলিত দেখা পোৱা স্থানীয় বৈশিষ্ট্যসমূহৰ বিৱৰ্তন চৰ্যাপদৰ ভাষাৰ মাজেৰে পুৰণি কামৰূপৰ ভাষাৰ বা অসমীয়া ভাষাৰ এটা স্পষ্ট ৰূপৰেখা অংকন কৰিব পাৰি।

**অসমীয়া ভাষাৰ মূল প্ৰৱাহ ঃ**

ড উপেন্দ্ৰনাথ গোস্বামীয়ে উল্লেখ কৰিছে অসমীয়া ভাষাটো '...মূলতঃ দুটা প্ৰৱাহৰ সমষ্টি। এটা বৰ্তমানৰ পশ্চিম অসমৰ উপভাষাই প্ৰতিনিধিত্ব কৰা প্ৰৱাহ আৰু আনটো পূব-অসমৰ মান্য ভাষাটোৱে প্ৰতিনিধিত্ব কৰা প্ৰৱাহ।' (অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ, পৃ-২৯) কামৰূপী উপভাষাই প্ৰতিনিধিত্ব কৰা এই প্ৰৱাহটো পশ্চিম ফালৰ পৰা বোৱা আৰ্য সুঁতি।



Scanned with CamScanner

গ্রিয়ার্ছনৰ মন্তব্যও অনুৰূপ— 'উত্তৰ বংগ আৰু অসমৰ ভাষা বংগৰ পৰা পোনপটীয়াভাৱে নহয়, পশ্চিমৰ পৰাহে পোৱা।' আনহাতে মান্য ভাষাটোৱে প্ৰতিনিধিত্ব কৰা প্ৰৱাহটো বিশেষকৈ মধ্য আৰু উজনি অসমত প্ৰৱাহিত। বৰ্তমান অসমৰ পশ্চিম অঞ্চললৈও অৱশ্যে এই প্ৰৱাহ প্ৰসাৰিত হৈছে।

**অসমীয়া ভাষাৰ বিশেষত্ব ঃ**

অসমীয়া ভাষাই ধ্বনি, ৰূপৰচনা আৰু বাক্যবিন্যাস পদ্ধতিত সুকীয়া কেতবোৰ বৈশিষ্ট্য ৰক্ষা কৰিছে। সিবোৰৰ বিষয়ে তলত চমুকৈ আলোচনা কৰা হ'ল—

**ধ্বনিতাত্ত্বিক ঃ**

অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি পোৱা যায় আঠোটা। সেইকেইটা হ'ল—

| | সন্মুখ | কেন্দ্ৰীয় | মূলীয় |
|---|---|---|---|
| উচ্চ | ই (i) | | উ (u) |
| উচ্চাভাস | এ' (ɛ) | | ও (o) |
| নিম্নভাস | এ (e) | | অ' (ɔ) |
| নিম্ন | | আ (ɑ) | অ (ɒ) |

অসমীয়াৰ স্বৰধ্বনিবোৰ ঘোষধ্বনি। এই স্বৰবৰ্ণকেইটা লিখিবলৈ অসমীয়াত এঘাৰটা আখৰ ব্যৱহাৰ কৰা হয়। সংস্কৃত বৰ্ণমালাৰ আৰ্হিতে অসমীয়া লিপিমালা গঢ় লৈছে যদিও অসমীয়াত দুটা সুকীয়া স্বৰবৰ্ণ পোৱা যায়। এই বৰ্ণ দুটা হৈছে— অ' আৰু এ'। এই বৰ্ণ দুটা লিখিবলৈ অসমীয়াত সুকীয়া আখৰৰ অভাৱ। সেয়ে /'/ এই চিনৰ দ্বাৰা নিৰ্দেশ কৰা হয়। তলত এই বিশিষ্ট স্বৰধ্বনি, আখৰ আৰু গৌণ প্ৰতীকবোৰৰ এখন তালিকা দাঙি ধৰা হ'ল—

| বিশিষ্ট ধ্বনি | আখৰ | গৌণ প্ৰতীক |
|---|---|---|
| ই | ই, ঈ | ি, ী |
| উ | উ, ঊ | ু, ূ |
| এ, এ' | এ | ে |
| ও | ও | ো, |
| অ, অ' | অ | –, |
| আ | আ | া |

Scanned with CamScanner